**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 31-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**----------------------**

# HEADLINES

১। কাছাৰ জিলাৰ ৪ খন গাঁও বাল্যবিবাহ মুক্ত গাঁও হিচাপে পৰিগণিত।

২। বিশিষ্ট সাহিত্যিক য়ছে দৰজে ঠংচিক আজি অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা প্ৰদান।

৩। অসম আৰক্ষীৰ শীৰ্ষ পৰ্যায়ত গুৰুত্বপূৰ্ণ সালসলনি। পাৰ্থ সাৰথি মহন্তক গুৱাহাটী মহানগৰীৰ আৰক্ষী আয়ুক্ত হিচাপে নিযুক্তি।

৪। গুৱাহাটী মহানগৰীত নৱবৰ্ষৰ দিনা মুখ্যমন্ত্ৰীৰ কেইবাটাও নতুন প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন।

**আৰু**

৫। বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো পুৰণিক বিদায় দি ইংৰাজী নতুন বৰ্ষক আদৰাৰ প্ৰস্তুতি।

০০০০০০

কাছাৰ জিলাৰ ৪ খন গাঁৱক বাল্যবিবাহ মুক্ত গাঁও হিচাপে ঘোষণা কৰাৰ কথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে প্ৰকাশ কৰিছে। সেই অনুসৰি জিলাখনৰ পালংঘাট উন্নয়ন খণ্ডৰ ৰুক্নি চতুৰ্থ খণ্ড গাঁও, কালাইন উন্নয়ন খণ্ডৰ অধীনৰ ভৈৰৱপুৰ প্ৰথম খণ্ড গাঁও, তাপাং উন্নয়ন খণ্ডৰ অধীনৰ ৰছকান্দি গ্ৰাণ্ট প্ৰথম আৰু দ্বিতীয় খণ্ড গাঁও বাল্য বিবাহমুক্ত হিচাপে ঘোষণা কৰা হৈছে। **বেটি বাচাও, বেটি পঢ়াও** আঁচনিৰ অধীনত গাঁও কেইখনক বাল্যবিবাহ মুক্ত বুলি ঘোষণা কৰা হৈছে। এই সন্দৰ্ভত সামাজিক মাধ্যমযোগে ৰাজ্য চৰকাৰে শেহতীয়াকৈ গ্ৰহণ কৰা বাল্যবিবাহ বিৰোধী অভিযানৰ প্ৰসংগও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে। কেন্দ্ৰীয় চৰকাৰৰ **বেটি বাচাও, বেটি পঢ়াও** আঁচনিৰ সমান্তৰালকৈ অসম চৰকাৰে গ্ৰহণ কৰা নিযুত মইনা আঁচনি আৰু অসম মুছলিম বিবাহ বাধ্যতামূলক পঞ্জীয়ন আইনে ৰাজ্যত বাল্যবিবাহ ৰোধৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা লোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। কাছাৰৰ ৪ খন গাঁৱক বাল্যবিবাহ মুক্ত ঘোষণা কৰাৰ কথাই আগন্তুক সময়ত ৰাজ্য চৰকাৰৰ বাল্য বিবাহ বিৰোধী অভিযানক অধিক গতি প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা ব্যক্ত কৰে।

০০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত খানাপাৰাত অনুষ্ঠিত অসম গ্ৰন্থমেলাত আজি বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিক অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা প্ৰদান কৰা হ'ব। ৰাজ্য শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সাহিত্যিকগৰাকীক এই বঁটা প্ৰদান কৰিব। **ধাৰ আৰু অন্যান্য গল্প** পুথিখনৰ বাবে তেওঁলৈ এই বঁটা আগবঢ়োৱা হৈছে।

গ্ৰন্থমেলাৰ যোৱা ৪টা দিনত দুই কোটি ২০ লাখ মূল্যৰ গ্ৰন্থ বিক্ৰী হোৱা বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে। গ্ৰন্থমেলাৰ কালি চতুৰ্থ দিনত চলচ্চিত্ৰৰ প্ৰচাৰ আৰু ব্যৱসায় শীৰ্ষক এখন আলোচনা সত্ৰ অনুষ্ঠিত হয়।

আলোচনাত বিশিষ্ট অতিথিৰূপে অংশ লৈ বিশিষ্ট চলচ্চিত্ৰ প্ৰযোজক, পৰিচালক মনোজ শ্ৰীবাস্তৱে চলচ্চিত্ৰৰ ব্যৱসায়িক দিশৰ আলোকপাত কৰে।

০০০০০০

এখন অধ্যয়নমুখী সমাজৰ ভেঁটি স্থাপন কৰাৰ প্ৰয়াসেৰে ৰাজ্য চৰকাৰে বিভিন্ন সময়ত পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে ২০২৫ বৰ্ষক কিতাপৰ বৰ্ষ হিচাপে উদযাপনৰ ঘোষণাৰ পূৰ্বেই ৰাজ্যত পুথিভঁড়াল বিপ্লৱ সূচনা কৰাৰ উদ্দেশ্যে ২০২৩-২৪ বৰ্ষৰ মুলধন বিনিয়োগৰ বিশেষ সাহায্য পুঁজিৰ অধীনত ২৫৯ কোটি ৭ লাখ টকাত অনুমোদন জনোৱা হৈছে। ইয়াৰ অধীনত ৰাজ্যৰ ২ হেজাৰ ১৯৭ খন গাওঁ পঞ্চায়ত আৰু ৪০০ টা পৌৰ নিগমৰ ৱাৰ্ডক সামৰি মুঠ ২ হেজাৰ ৫৯৭ টা পুথিভঁড়াল নিৰ্মাণৰ লক্ষ্য লোৱা হৈছে। ইয়াৰ জৰিয়তে শিশু আৰু কিশোৰসকলক কিতাপ আৰু উন্নত শিকণৰ সমল প্ৰদান, ৰাষ্ট্ৰীয় ডিজিটেল পুথিভঁড়ালৰ সৈতে সংহতকৰণৰ লগতে যুৱ প্ৰজন্মৰ মাজত অধ্যয়ন আৰু শিকণৰ মানসিকতা গঢ়ি তোলাৰ বাবে উৎসাহিত কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

০০০০০০

গুৱাহাটী পৌৰ নিগমে নতুন বছৰত মহানগৰীখনৰ উন্নয়নৰ বাবে এলানি কাৰ্যসূচী গ্ৰহণ কৰিছে। পৌৰ নিগমৰ আয়ুক্ত মেঘনিধি দাহালৰ উপস্থিতিত কালি উজান বজাৰত থকা পৌৰ নিগমৰ কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰি মেয়ৰ মৃগেণ শৰণীয়াই কয়, যে নতুন বছৰত মহানগৰীৰ প্ৰতিটো ৱাৰ্ডত কমেও পাঁচটাকৈ সামূহিক শৌচাগাৰ নিৰ্মাণ কৰা হ'ব। ইয়াৰ জৰিয়তে মহানগৰীত ৬০ টা ৱাৰ্ডত ৩০০ টা সামূহিক শৌচাগাৰ নিৰ্মাণ হ'ব বুলি মেয়ৰ শ্ৰী শৰণীয়াই জানিবলৈ দিয়ে। ইয়াৰ লগতে নতুন বছৰত প্ৰতিটো ৱাৰ্ডত তিনি-চাৰিটাকৈ সমূহীয়া সভাঘৰ আৰু পাঁচটাকৈ পথ নিৰ্মাণৰ কামো হাতত লোৱা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। মহানগৰীত ১০ হাজাৰ ষ্ট্ৰীট লাইট স্থাপনৰ পৰিকল্পনা সদৰি কৰি মেয়ৰগৰাকীয়ে কয়, যে জানুৱাৰীৰ শেষত আৰু ফেব্ৰুৱাৰীৰ প্ৰথম ভাগত মুখ্যমন্ত্ৰীয়ে গুৱাহাটীৰ তিনিখন প্ৰধান বজাৰ উলুবাৰী, গণেশগুৰি আৰু বেলতলা উদ্বোধন কৰিব। ইতিমধ্যে বজাৰ কেইখনৰ নিৰ্মাণৰ কাম ৮০ৰ পৰা ৯০ শতাংশ সম্পূৰ্ণ হোৱা বুলি শ্ৰী শৰণীয়াই জানিবলৈ দিছে। ব্যৱসায়ীসকলৰ সুবিধাৰ্থে মহানগৰীত ৮০ টাকৈ ভেণ্ডিং জ'ন প্ৰদান কৰাৰ বিষয়ে ঘোষণা কৰি তেওঁ জানুৱাৰীৰ ভিতৰতে ইয়াৰে ১০ টা কাৰ্যকৰীকৰণৰ সিদ্ধান্ত সদৰি কৰে।

০০০০০০

অসম আৰক্ষীৰ শীৰ্ষ পৰ্যায়ত ৰদবদলৰ বাবে চৰকাৰে নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি অসম আৰক্ষীৰ মহা পৰিদৰ্শক পাৰ্থ সাৰথি মহন্তক গুৱাহাটী মহানগৰীৰ আৰক্ষী আয়ুক্ত হিচাপে নতুন দায়িত্ব দিয়া হৈছে। বৰ্তমানৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাক অসম আৰক্ষীৰ বিশেষ শাখালৈ বদলি কৰা হৈছে। তেওঁক লগতে ডেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীৰ সঞ্চালকৰ দায়িত্ব অৰ্পন কৰা হৈছে। অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা নিৰ্দেশনা অনুসৰি অসম আৰক্ষীৰ প্ৰশিক্ষণ আৰু সশস্ত্ৰ আৰক্ষীৰ দায়িত্বত থকা অখিলেশ কুমাৰ সিঙক আইন শৃংখলা শাখাৰ আৰক্ষীৰ মহাপৰিদৰ্শক ৰূপে বদলি কৰা হৈছে। বিষয়াজনে অতিৰিক্তভাৱে অসম আৰক্ষীৰ যোগাযোগ শাখাৰ মহাপৰিদৰ্শক হিচাপেও দায়িত্ব পালন কৰিব। আনহাতে অসম আৰক্ষীৰ বিশেষ শাখাৰ আৰক্ষীৰ মহাপৰিদৰ্শকৰ দায়িত্বত থকা আই পি এছ বিষয়া লাচিত বৰুৱাক অসম আৰক্ষী গৃহ নিৰ্মাণ নিগমৰ পৰিচালন সঞ্চালকৰ দায়িত্ব অৰ্পণ কৰা হৈছে। আইন-শৃংখলাৰ দায়িত্বত থকা আই পি এছ বিষয়া প্ৰশান্ত কুমাৰ ভূঞা অসম আৰক্ষীৰ প্ৰশাসন শাখাৰ মহাপৰিদৰ্শক হিচাপে

নিযুক্তি দিয়া হৈছে। অসম আৰক্ষীৰ এম পি চি শাখাৰ দায়িত্বত থকা আই পি এছ বিষয়া বিবেক ৰাজ সিঙক অসম আৰক্ষীৰ প্ৰশিক্ষণ আৰু সশস্ত্ৰ আৰক্ষী শাখাৰ লগতে বি টি এ ডিৰ আৰক্ষীৰ মহাপৰিদৰ্শকৰ অতিৰিক্ত দায়িত্ব দিয়া হৈছে।

০০০০০০

বড়োলেণ্ড আঞ্চলিক পৰিষদ চমুকৈ বি টি আৰ চৰকাৰে কালি অঞ্চলটোত বসবাস কৰা ২৬টা জনগোষ্ঠীৰ বিকাশৰ বাবে প্ৰস্তুত কৰা বিকাশৰ ৰূপৰেখা সন্নিৱিষ্ট নথি পুস্তক আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। কালি গুৱাহাটীৰ মাছখোৱাৰ প্ৰাগজ্যোতি সাংস্কৃতিক প্ৰকল্পত আয়োজিত এটা অনুষ্ঠানত অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই এই ৰূপৰেখা আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই বি টি আৰৰ এনে উদ্যোগৰ শলাগ লয় আৰু অঞ্চলটোত বসবাস কৰা সকলো জনগোষ্ঠীৰ লোকে বি টি আৰত বিৰাজ কৰা শান্তিৰ পৰিৱেশৰ মাজত উন্নয়নৰ পথত অগ্ৰসৰ হ'ব বুলি আশা প্ৰকাশ কৰে। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বি টি আৰ প্ৰশাসনে তেওঁলোকৰ সাংবিধানিক দায়িত্ব আৰু কৰ্তব্য সুচাৰুৰূপে সম্পন্ন কৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত শান্তি আৰু সৌহাৰ্দ্য বৃদ্ধি কৰি প্ৰগতিৰ পথত আগবাঢ়িব বুলি আস্থা প্ৰকাশ কৰে।

০০০০০০

ৰাজ্য চৰকাৰৰ আন্তঃগাঁথনিমূলক উন্নয়নৰ পদক্ষেপ হিচাপে নতুন বছৰৰ পহিলা দিনটোত গুৱাহাটীৰ পল্টন বজাৰত পদপথ সেঁতু আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব। ২০২১-২২ বৰ্ষৰ ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ অধীনত প্ৰায় এহেজাৰ ৬৬৬ কোটি টকা ব্যয়ৰে এই পদপথ সেঁতু নিৰ্মাণ কৰি উলিওৱা হৈছে। একেটা দিনতে শিলপুখুৰীত ভাৰতৰত্ন গোপীনাথ বৰদলৈ সমাধি স্থলত প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ আৱক্ষ মূৰ্তি উদ্বোধন কৰা হ'ব। এক কোটি ২৬ লাখ টকা ব্যয়ৰে নিৰ্মিত প্ৰকল্পটোৰ অধীনত পুথিভঁৰাল ভৱন, শিশুৰ খেল-ধেমালি ক্ষেত্ৰ আদিৰ নিৰ্মাণ কৰা হৈছে। দুয়োটা প্ৰকল্পৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। মুখ্যমন্ত্ৰীয়ে ইয়াৰ লগতে কাইলৈ আবেলি গুৱাহাটীৰ জ্যোতি চিত্ৰবনত নিৰ্মাণ কৰিবলগীয়া এহেজাৰ আসনযুক্ত অত্যাধুনিক প্ৰেক্ষাগৃহৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০

চাওঁতে চাওঁতে ইংৰাজী ২০২৪ বৰ্ষই বিদায় ল'বলৈ ওলাইছে। আৰু কেইটামান ঘণ্টাৰ পাছতে ২০২৪-এ বিদায় ল'ব আৰু এটা নতুন বৰ্ষ আৰম্ভ হ'ব। ৰাজনীতি, সমাজনীতি, সাহিত্য-সংস্কৃতি, চলচ্চিত্ৰ, ক্ৰীড়া আৰু বিজ্ঞান-প্ৰযুক্তি জগতৰ বহু ঘটনা-পৰিঘটনাৰ সাক্ষী হৈ ৰ'ল ২০২৪ বছৰটো।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ উদ্যোগত আজি নিশা ৮ বাজি ২ মিনিটত উভতি চাওঁ-২০২৪ শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। বিশিষ্ট চলচ্চিত্ৰ সমালোচক, লেখক উৎপল দত্ত, জ্যেষ্ঠ সাংবাদিক জিতেন্দ্ৰ কুমাৰ চৌধুৰী আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে অংশগ্ৰহণ কৰিবলগীয়া অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতিম শৰ্মাই।

বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো পুৰণিক বিদায় দি ইংৰাজী নতুন বৰ্ষক আদৰাৰ প্ৰস্তুতি চলিছে। আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰে খন্তেক সময়ৰ আগতে আমাৰ তিনিচুকীয়াৰ সংবাদদাতা মনোৰঞ্জন মৰাণৰ সৈতে পুৰণি বছৰটোৰ বিদায় আৰু নৱবৰ্ষক আদৰাৰ দিন দুটাত জিলাখনত কি পৰিৱেশৰ সৃষ্টি হৈছে – সেই বিষয়ে কথা পাতিছে। আহকচোন আমিও শুনো।

***বাইট (মনোৰঞ্জন মৰাণ)***

নৱবৰ্ষৰ সময়ত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰবাবে জিলা প্ৰশাসনসমূহে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। নৱবৰ্ষৰ লগতে বৰ্তমানৰ বনভোজৰ বতৰত সঘনে হোৱা পথ দুৰ্ঘটনা ৰোধ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত ৰাজ্যৰ বিভিন্ন প্ৰান্তত DRINK & DRIVE অভিযান চলাই থকা হৈছে। এই অভিযানৰ অংশ হিচাপে কালি নিশা শ্ৰীভূমি জিলাৰ মোবাৰকপুৰ টোলগেট এলেকাত জিলা পৰিবহণ, আবকাৰী আৰু আৰক্ষীৰ উদ্যোগত বিশেষ পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰাজ্যৰ আন আন প্ৰান্ততো এই অভিযানৰ অধীনত প্ৰশাসনে সজাগতামূলক বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে।

oooooo

NEWSPAPER REVIEW (31-12-2024 MORN.)

২০২৫ চনে ৰাজ্যৰ কৃষকৰ বাবে অধিক সুযোগ কঢ়িয়াই আনিব বুলি এটা বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। ৰাজ্যৰ কৃষকে বছৰি ৰপ্তানি কৰা পাচলি, ফল-মূল, ধান আদিৰ তথ্য বিশ্লেষণ কৰি ফেডাৰেচন অব ইণ্ডিয়া এক্সপোৰ্ট অৰগানাইজেছনে ৰাজ্যৰ কৃষি মন্ত্ৰী অতুল বৰাক দিয়া তথ্য অনুসৰি বিশ্বৰ ২১ খন দেশলৈ অসমৰ পাচলি চাউলৰ ৰপ্তানি হোৱাৰ লগতে ২৬-২৭ বৰ্ষত ১০ হেজাৰ কোটি টকাৰ ব্যৱসায় হ'ব বুলি বাতৰিটোত উল্লেখ আছে।

অসমীয়া প্ৰতিদিন কাকতে অচ্যুত কুমাৰ পাটোৱাৰী অনূদিত দেৱজিৎ ভূঞাৰ গ্ৰন্থ **ভইচ অব দ্যা নেচন**ৰ আধাৰত তথ্য ভিত্তিক কাহিনী চিত্ৰ নিৰ্মাণ হ'বলগীয়া বাতৰিয়ে নৱবৰ্ষৰ প্ৰাক ক্ষণত ৰাজ্যলৈ সুখবৰ কঢ়িয়াই আনিব বুলি প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে। লতা মংগেশকাৰ আৰু ভূপেন হাজৰিকাৰ অনন্য বন্ধনক লৈ মুম্বাইৰ এটা প্ৰতিষ্ঠিত চিত্ৰ নিৰ্মাতা গোষ্ঠীয়ে এই পদক্ষেপ গ্ৰহণ কৰিছে বুলি বাতৰিটোত কোৱা হৈছে।

ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত ৬০ হাজাৰ মেগাৱাট বিদ্যুৎ উৎপাদনক্ষম চীনৰ প্ৰস্তাৱিত বৃহৎ নদীবান্ধে অসম তথা অৰুণাচল প্ৰদেশত বিস্তৰ ক্ষতিসাধন কৰাৰ সম্ভাৱনাৰ এটা বাতৰি দি আছাম ট্ৰিবিউন কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতত ন'বেল বঁটা বিজয়ী প্ৰাক্তন মাৰ্কিন ৰাষ্ট্ৰপতি জিমি কাৰ্টাৰৰ দেহাৱসানৰ বাতৰিটোৱে প্ৰথম পৃষ্ঠাত স্থান পাইছে।

**এন্ধাৰ আঁতৰিল, বিকাশৰ বাটেৰে বি টি আৰলৈ নামি আহিছে উন্নয়নৰ জেউতি** বুলি প্ৰমোদ বড়োৱে মন্তব্য আগবঢ়োৱা বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে বি টি আৰত ২৬টা জনগোষ্ঠীৰ ভিজন ডকুমেণ্ট মুকলি অনুষ্ঠানত প্ৰমোদ বড়োৱে এই মন্তব্য আগবঢ়াইছে।

নিয়মীয়া বাৰ্তা কাকতখনত অসম সাহিত্য সভাৰ নৱ নিৰ্বাচিত সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে বছৰ বছৰ ধৰি সাহিত্য সভাত বিত্তীয় অনিয়ম চলা বুলি বিস্ফোৰক মন্তব্য আগবঢ়োৱা বাতৰিটো প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ৰাজ্য চৰকাৰে নতুন বছৰত ৰাইজলৈ বুলি লুইতৰ নতুন দলং, খানাপাৰাত পৰিবহন আস্থান, বৃহৎ সন্মিলন কক্ষ উপহাৰ হিচাপে আগবঢ়াব বুলি এটা বাতৰি আমাৰ অসম কাকতখনে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দৈনিক অগ্ৰদূত কাকতখনে পাৰ্থ সাৰথি মহন্তক গুৱাহাটীৰ নতুন আৰক্ষী আয়ুক্ত হিচাপে নিযুক্তি দিয়াৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বৰ্তমানৰ আৰক্ষী আয়ুক্ত দিগন্ত বৰাক বিশেষ শাখাৰ আই জি পি পদলৈ বদলি কৰাৰ কথাও বাতৰিটোত উল্লেখ আছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

ছিকিমত যোৱা কিছুদিনত প্ৰচণ্ড তুষাৰপাতৰ ফলত ৰাজ্যখনৰ বিভিন্ন স্থানত বহুতো পৰ্যটক আৱদ্ধ হৈ পৰিছে। শেহতীয়াকৈ ছিকিম আৰক্ষী আৰু সীমান্ত পথ সংস্থাই যুটীয়াভাৱে অভিযান চলাই ৰাজ্যখনত আবদ্ধ হৈ থকা অসমৰ ছগৰাকী পৰ্যটকক নিৰাপদে উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়। পৰহি নিশা উত্তৰ ছিকিমৰ মংগন জিলাৰ লাছুঙৰ পৰা ১০ কিলোমিটাৰ দূৰৰ য়াক্ষে নামৰ অঞ্চলত প্ৰচণ্ড ধুমুহা আৰু তুষাৰপাতৰ ফলত অসমৰ ছজনীয়া পৰ্যটকৰ দলটো আবদ্ধ হৈ পৰে। ইয়াৰ পাছতে ছিকিম আৰক্ষী আৰু বি আৰ অ'ই এই লোকসকলক উদ্ধাৰৰ বাবে অভিযান আৰম্ভ কৰি কালি তেওঁলোকক উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়। প্ৰতিকুল বতৰৰ পৰিপ্ৰেক্ষিতত ছিকিম প্ৰশাসনে পৰ্যটকসকলৰ প্ৰতি সতৰ্কতা জাৰি কৰিছে।

০০০০০০

দুলীয়াজানৰ ত্ৰিদীৱ নাট্যগোষ্ঠীৰ উদ্যোগত আৰু মধুপুৰ তিনিআলিৰ পাৰ্শ্ববৰ্তী অঞ্চলৰ ৰাইজৰ সহযোগত অনুষ্ঠিত সদৌ অসম ভাওনা প্ৰতিযোগিতাত যোৰহাট পুলিবৰৰ শ্ৰীমন্ত শংকৰ মাধৱ নাট্য গোষ্ঠীক শ্ৰেষ্ঠ দলৰ সন্মান প্ৰদান কৰা হয়। ফুলপানীছিগাৰ অৰুণোদয় সাংস্কৃতিক গোষ্ঠী আৰু লাহদৈগড় গোপালদেৱ সমন্বয় শিল্পী সমাজে যুটীয়াভাৱে দ্বিতীয় শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। একেদৰে শিৱসাগৰৰ ত্ৰিগুণাতীত নাট্য গোষ্ঠীয়ে তৃতীয় আৰু দুলীয়াজানৰ কুৰুক্ষেত্ৰ সাংস্কৃতিক গোষ্ঠীয়ে চতুৰ্থ শ্ৰেষ্ঠ দলৰ খিতাপ দখল কৰে।

০০০০০০

সমাপ্ত